# অসমীয়া বিহুগীত, নৈ পৰীয়া বিহুগীত আৰু বনঘোষাৰ এক অধ্যয়ন

ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতক তৃতীয় বৰ্ষৰ ষষ্ঠ যান্মাসিক অসমীয়া
DSE- 2(H) কাকতৰ বাবে প্ৰস্তুত কৰা ক্ষুদ্ৰ গৱেষণা প্ৰকল্প


তত্ত্বাৱধায়ক
ড° দেৱপ্ৰতীম হাজৰিকা
সহকাৰী অধ্যাপক

প্ৰস্তুতকৰ্তা
প্ৰণামিকা হাজৰিকা
স্নাতক তৃতীয় বৰ্ষৰ
ষষ্ঠ যান্মাসিক
অসমীয়া বিভাগ
Roll No. - 30810144
Registration No. - S1921716


নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ, যোৰহাট
ইং- ২০২২ বৰ্ষ

# সূচীপত্ৰ ঃ


০ ০ অৱতৰণিকা

০.১ বিষয়ৰ পৰিচয়

০.২ অধ্যয়নৰ উদ্দেশ্য

০.৩ অধ্যয়নৰ পদ্ধতি

০.৪ পৰিসীমা

**০.৫** পূৰ্বকৃত অধ্যয়ন

অধ্যায় - ১

১.০ অসমীয়া বিহুগীতৰ পৰিচয় আৰু ইতিহাস

অধ্যায় - ২

২.০ অসমীয়া বিহুগীত

**২.৬** বিহুগীতত সামাজিক বৈষম্য

অধ্যায় - ৩

৩.০ নৈ পৰীয়া বিহুগীত

৩.১ বনঘোষা

অধ্যায় - ৪

৪.০ সিদ্ধান্ত

সামৰণি

প্ৰসঙ্গ টোকা

সহায়ক গ্ৰন্থ পঞ্জী

তথ্য দাতাৰ তালিকা

# কৃতজ্ঞতা জ্ঞাপন


অসমীয়া বিহুগীত, নৈ পৰীয়া বিহুগীত আৰু বনঘোষাৰ এক অধ্যয়ন এটি আলোচনা শীৰ্ষক প্ৰকল্পখন ড° দেৱপ্তীম হাজৰিকাৰ তত্ত্বাৱধানত প্ৰস্তুত কৰিবলৈ চেষ্টা কৰা হৈছে।

বিষয়বস্তু নিৰ্বাচনৰ পৰা আদি কৰি গৱেষণাৰ বিষয়ক বহুতো দিহা-পৰামৰ্শ আগবঢ়াই আৰু লগতে বিভিন্ন সমস্যাসমূহৰ সমাধানৰ ক্ষেত্ৰত ড° দেৱপ্ৰতীম হাজৰিকা ছাৰে সম্পূৰ্ণ সহায়-সহযোগিতা আগবঢ়াই এই গৱেষণা পত্ৰখন প্ৰস্তুত কৰাত সহায় আগবঢ়ালে যাৰ বাবে তেখেতৰ ওচৰত চিৰকৃতজ্ঞ। তেখেতক হিয়াভৰা শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

তিতাবৰ নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়া প্ৰমুখ্য কৰি অসমীয়া বিভাগৰ সমূহ কৰ্মকৰ্তাক মোৰ গৱেষণা পত্ৰত সহযোগিতা আগবঢ়োৱা বালিপৰীয়া বগাৰ গাঁওৰ ৰেৱকান্ত দাস, পল্টন দাসৰ লগতে দিলীপ হাজৰিকাক ধন্যবাদ জনালোঁ।

ডি.টি.পি. ত সহায় কৰা ৰবীন ডেকা গৱেষণাৰ ক্ষেত্ৰ অধ্যয়নৰ বাবে বিভিন্ন ঠাইলৈ লগত যোৱা আৰু কিতাপ পত্ৰ দি সহায় কৰা বান্ধৱী দিপশীখা শইকীয়া, ময়ূৰী বাঢ়ৈ আৰু গৱেষণা কাৰ্যত আৰম্ভণিৰে পৰা সহায়-সহযোগিতা আগবঢ়োৱা মোৰ মা, দেউতা, ভণ্টিৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'লো।



**প্ৰণামিকা হাজৰিকা**
**স্নাতক, ষষ্ঠ ষান্মাসিক**
**অসমীয়া বিভাগ**
**নন্দনাথ শইকীয়া মহাবিদ্যালয়**

**০০ অৱতৰণিকা**

**০১ বিষয়ৰ পৰিচয় ঃ**

প্ৰকৃতিৰ নতুন পৰশত অসমীয়া সমাজৰ ৰং উল্লাসৰ আনন্দত সজীৱ হৈ উঠা বিহু অসমীয়া জন জীৱনৰ জাতীয় উৎসৱ বিহু বুলিলে অসমীয়া গা সাত খন আঠখন হৈ উঠে, নৃত্য-গীত বিভিন্ন নিতী-নিয়ম, খাদ্য সম্ভাৰ আদিৰে অসমীয়া জন সমাজত বিহু উদযাপন কৰে, বিহু প্ৰধানকৈ তিনি প্ৰকাৰৰ বহাগ বিহু, কাতি বিহু, মাঘ বিহু, বহাগ বিহুক সাত বিহু বুলিও কোৱা হয়। এই সাত বিহু প্ৰতিটো দিনৰে একোটাকৈ নাম আছে, যেনেঃ- গৰু বিহু, গোঁসাই বিহু, তাঁত বিহু, নাঙল বিহু, কুটুম বিহু, চেৰা বিহু।

প্ৰতিটো বিহুয়ে কৃষিৰ লগত জড়িত। লোক পৰম্পৰা মতে খেতিয়ক সকলে বিশ্বাস কৰিছিল যে ডেকা গাভৰুৰ নাচুনৰ গিৰিপনীত পৃথিৱীৰ শস্য সম্ভৱা হৈ উঠে, খেতিয়কৰ আশাৰ হেঁপাহত ধান মুঠি সোণ জ্বিলিকা দি জ্বিলিকি উঠে, বিহু অসমীয়াৰ লোক সাহিত্যৰ এটি অমূল্য সম্পদ, ইয়াৰ বুকুত আছে জতিৰ প্ৰাণৰ স্পন্দন. জীৱনৰ ইতিহাস আৰু সমাজৰ প্ৰতিছবি্ব ডেকা গাভৰু, বোৱাৰী জীয়ৰী, বুঢ়া সকলোৱে মনৰ আনন্দ উল্লাস প্ৰেম প্ৰীতি ইত্যাদি, ইয়াৰ ভাষাৰ সহজ- সৰল, ছন্দ সাবলীল আৰু সুৰ মনোমহা।

অসমীয়া সভ্যতা সাধাৰণতে কৃষি ভিত্তিক সভ্যতা এই কৃষি জীৱি লোক সকলক সাধাৰণতে নৈ পৰীয়া এলেকা সমূহত বসবাস কৰা দেখা যায়। এই সভ্যতা সমূহ যুগ যুগ ধৰি অসমৰ লুইত ব্ৰক্ষ্মপুত্ৰৰ পাৰত বসবাস কৰি থকা আমি প্ৰায়েই দেখিব পাওঁ । কিয়নো নৈ পৰীয়া সভ্যতা সমূহ কৃষি বাবে উপযোগী। এই নৈ পৰীয়া এলেকাত বসবাস কৰা লোক সকলে কৃষিৰ লগত সংগতি ৰাখি বিভিন্ন ধৰণৰ উৎসৱ পালন কৰে, এই উৎসৱ সমূহৰ ভিতৰত বিহু উৎসৱ প্ৰধান গীত মাত নৃত্যৰ জৰিয়তে তেওঁলোকে এই উৎসৱ পালন কৰে। এই উৎসৱত গোৱা গীত সমূহক বিহুগীত বুলি কোৱা হয়। ইয়াৰ ভিতৰত মোৰ আলোচনাৰ বিষয়টো হৈছে অসমীয়া নৈ পৰীয়া বিহু গীত সমূহৰ বিষয়ে আলোচনা কৰা লগতে অসমীয়া সমাজ তথা সাহিত্যত উল্লেখ থকা বনবোষা বিষয়ে আলোচনা কৰা।

সাধাৰণতে মুক্ত পৰিৱেশ উন্মোক্ত আৱেগ আৰু উৰুঙা পথাৰ খনৰ প্ৰতিধ্বনিতে জন্ম হয় বনঘোষা বনবোষাবোৰ আচলত যৌৱন আৰু পীৰিতিৰ গীত। কোনো কোনোৱে আকৌ বনঘোষাক বতৰৰ গীত বুলি কয়। কিয়নো বনঘোষা সমূহ প্ৰায়েই কৃষি আৰু বতৰৰ লগত জড়িত গীত।

ঠিক তেনেদৰেই বিহু সময়ত পোৱা পৰম্পৰাগত ভাৱে চলি অহা গীত সমূহকে বিহুগীত বুলি কোৱা হয়। পিছলৈ মূল বিষয়ক নৈ পৰীয়া বিহুগীত আৰু বনঘোষা সমূহৰ বিষয়ে এক আলোচনা দাঙি ধৰা হ'ল।

## ০.২ অধ্যয়নৰ উদ্দেশ্য

অসমীয়া সমাজ জীৱন তথা অসমীয়া সাহিত্যত বিহুগীত নৈ পৰীয়া বিহু গীত আৰু বনঘোষা সমূহৰ এক সুকীয়া স্থান আছে। আমি অধ্যয়নৰ দিশলি চালে অসমীয়া সমাজ তথা অসমীয়া সাসিত্যত এই বিহুগীত আৰু বনঘোষা সমূহে এক সুকিয়া ভূমিকা পালন কৰি আহিছে তাৰ তুলনাত নৈ পৰিয়া বিহুগীতৰ কম পৰিমানে স্বীকৃতি পাইছে যাৰ বাবে সাহিত্য ইতিহাসত অসমীয়া সমাজ জীৱলত এই গীত সমূহ উল্লেখযোগ্য প্ৰস্তাৱিত "অসমীয়া বিহুগীত, নৈ পৰীয়া বিহু গীত আৰু বনঘোষা এক অধ্যয়ন" উল্লেখ শীৰ্ষক গৱেষণা পত্ৰখন যুগুত কৰাৰ আৰত থকা মূল উদ্দেশ্য হল।

## ০.৩ অধ্যয়নৰ পদ্ধতি

ডিব্ৰুগড় বিশ্ব বিদ্যালয় অধীনত ষষ্ঠ ষান্মাষিক অন্তৰ্গত অসমীয়া উচ্চমান বিষয়ৰ DSE-4(B) কাকতৰ বাবে প্ৰস্তত কৰিব লগীয়া সংস্কৃতি বিষয়ক উক্ত প্ৰকল্প প্ৰস্তত কৰিবলৈ যাওতে অসমীয়া বিহুগীত, নৈপৰীয়া বিহুগীত আৰু বনঘোষা সমূহৰ বিষয়ে বিশ্লেষাত্মাক পদ্ধতিৰে আলোচনা কৰা হৈছে। গৱেষণা পত্ৰখন প্ৰস্তত কৰিবলৈ লওঁতে সাহিত্য তথা সংস্কৃতি বিষয়ক গ্ৰন্থ আৰু তাৰ সৈতে জড়িত বিভিন্ন প্ৰৱন্ধ সমূহক মূল উৎস হিচাপে লোৱা হৈছে।

## ০.৪ বিষয়ৰ পৰিসীমা

অসমীয়া বিহুগীত, নৈ পৰীয়া বিহুগীত আৰু বনঘোষা সমূহৰ বিভিন্ন দিশক অধ্যয়নৰ পৰিসৰত সামৰি লোৱা হৈছে, অসমীয়া বিহুগীত, নদী কেন্দ্ৰীক বিহুগীত বনঘোষাৰ লগত জড়িত গীত সমূহ ইয়াৰ উৎপত্তি, পৰিচয়, আদি দিশ সমূহৰ আলোচনাৰ গৱেষণা পত্ৰখনক প্ৰস্তাৱিত বিষয়ৰ পৰিসীমাত সামৰি লোৱা হৈছে।

## ০.৫ পূৰ্বকৃত অধ্যয়ন

অসমীয়া বিহুগীত, নৈ পৰীয়া বিহুগীত আৰু বনঘোষা সমূহক অসমীয়া লোক সাসিত্যৰ ভিতৰত ধৰা হয়। অতীততে মানুহৰ মুখে মুখে প্ৰচলিত হোৱা বাবে এই গীত সমূহক লোক গীত বুলিও কোৱা হয়। কিন্তু সময়ৰ পৰিৱৰ্তনৰ লগে লগে বিভিন্ন সমালোচক তথা সাহিত্যিক লেখক সকলে এই লোক গীত সমূহক বহু ধৰনে সাহিত্যত আলোচনা কৰিছে। তাৰ ভিতৰতে উল্লেখ যোগ্য যে ড° লীলা গগৈয়ে " অসমীয়া লোক সাহিত্য ৰূপৰেখা" ড° বিৰিঞ্চি কুমাৰ বৰুৱা "অসমীয়া ভাষা আৰু সংস্কৃতি" ড° লীলা গগৈয়ে "বিহু গীত আৰু বনঘোষা" "ড° নিৰ্মল প্ৰভা বৰদলৈ "অসমৰ লোক সংস্কৃতিৰ" ইত্যাদি গন্থত এই সম্পৰ্কে আলোচনা কৰিছে এনেদৰেই অসমীয়া বিহুগীত নৈ পৰীয়া বিবুগীত আৰু বনঘোষাৰ ওপৰত কম পৰিমাণে হলেও কিছুমান আলোচনা পোৱা গৈছে।

# অধ্যায় ১

**১.০ অসমীয়া বিহুগীতৰ পৰিচয় আৰু ইতিহাস ঃ**

প্ৰতিজন অসমীয়াৰ বাপতি সাহোন উৎসৱ বিহুৰ সময়ত গোৱা পৰম্পৰাগত ভাৱে চলি অহা গীত সমূহক বিহুগীত বুলি এক পৰিচয় দিব পাৰি।

গৰুৰ খোজৰ পানী ডোঙাত আকাশৰ ছবিটি পৰাৰ দৰে বিহুগীতৰ জুৰিৰ পানী শত সৌন্দৰ্যই জিলমিল কৰে। অপৰূপ উপমাই থমকি নাচে গীতবোৰৰ আঁৰতে, এহেজাৰ এনিশাৰ সাধু লুকাই থাকে গীতৰ বুকৰ একোটা ঘৰুৱা চিত্ৰতে, ভাষাৰ সোণৰ কাঠী বুলোৱা আছে প্ৰতিটো গীততে। অসমীয়া গাঁৱলীয়া জীৱনৰ শিল্প চৰ্চাৰ কাহিনী আনত লোপ পালেও গীতবোৰৰ বুকুতে যাউতিযুগীয়া হৈ জিলিকি থাকিব।

অতীতৰ পৰা বৰ্তমান সময়লৈকে বিহুগীত সমূহ আমাৰ মনত এক বিশেষ আদৰ লাভ কৰি আহিছে উৎপত্তি দিশতোলৈ চাবলৈ গলে প্ৰথম অৱস্থাত এই বিহুগীত সমূহ অতীতৰে পৰা মানুহৰ মুখে মুখে প্ৰচলিত হৈ আহিছিল কিন্তু বৰ্তমান সময়ত বিভিন্ন সাহিত্যিক তথা লেখকে বিভিন্ন সাহিত্য আৰু প্ৰবন্ধ সমূহত এই সম্পৰ্কে আলোচনা কৰাও আমি অধ্যয়ন কৰিবলৈ পাওঁ।

উৎপত্তি দিশটোলৈ মন কৰিলে বিহুগীত সমূহৰ উৎপত্তি ক'ত কেনেকৈ বা কেনেদৰে সৃষ্টি হৈছিল তাৰ সঠিক প্ৰমান পোৱা নাযায় যদিও অসমীয়া লোক সাহিত্য অধ্যয়নে আমাক ইয়াকে কৈছে যে প্ৰচীন কালত বিহুগীত সমূহ মানুহৰ মুখে মুখেহে প্ৰচলিত হৈছিল বিহুগীতৰ কোনো ধৰণৰ বিশেষ সংজ্ঞা নাই যদিও সাধাৰণ ভাৱে আমি কব পালে মানুহৰ মনৰ সুখ - দুখ, আনন্দ-উল্লাস, প্ৰেম ইত্যাদি আদান-প্ৰদান কৰিবলৈ বিহুগীত সমূহ গাইছিল, কিন্তু বৰ্তমান সময়ত বিহুগীত আৰু বিহুনাম দুয়োটাকে সমাৰ্থক শব্দ হিচাপে ব্যৱহাৰ কৰা হয়। অসমীয়া জন জীৱনৰ লগত জড়িত সকলো বিষয়েই বিহুগীতত লাভ কৰিছে। এই বিহু অনুষ্ঠান কেইটাৰ আধাৰতে বিহুনামবোৰ ৰচিত আৰু পৰিৱেশন হৈ আহিছে এনে পৰম্পৰাগত বিহু অনুষ্ঠান হৈছে যেনে ঃ- ৰাতি বিহু গীত এফাঁকি হৈছে -

লাই ঐ লিহিৰী হালে নো বায় হালোৱা
লাই ঐ লিহিৰী ঘৰলে ঐ নাযাবা,
লাই ঐ লিহিৰী কঠিয়া ঐ বুলাব
কুঠিয়ানো বুলাব আছে

ঠিক তেনেধৰনৰ গৃহস্তৰ চোতালত মৰা হুঁচৰি
গীত এফাঁকি যেনেঃ-

ঐ খুতিতে পৰিলে জিএঞা তললৈ মুৰ কৰি
চাব ঐ নালাগে,
দক্ষিনা উলিয়াই দিয়া দদাইদেউ গামোচা লাগিব
ঐ দদাইদেউ লাগিব বাকচৰ ধন।

দিনৰ ভাগত বৰ গছৰ তলত মৰা বিহুগীত এনেধৰণৰ ঃ-

বিহুৰে বিৰিণা পাতে ঐ লাহৰী
বিহুৰে বিৰিণা পাত,
গাভৰু ছোৱালী নাচে জুমে জুমে
চত'ৰ বিহু লাগিছে গাত।

উল্লেখিত বিহু গীত সমূহৰ উপৰিও নৈ বা লুইতৰ পাৰৰ মুকলি পথাৰত বা ডাঠ গছনিৰ তলত মৰা বিহু আদিকো বিহু গীতৰ ইতিহাসৰ ভিতৰতো সামৰি লব পাৰি।

# অধ্যায়-২

## ২.০ অসমীয়া বিহু গীত ঃ

বিহু অসমীয়া জাতীয় উৎসৱ, সংস্কৃতিৰ প্ৰতীক আৰু আনন্দৰ উৎসৱ অতি চেনেহৰ ব'হাগৰ বিহুটো অসমীয়া মনৰ, প্ৰাণৰ, হেঁপাহৰ আদৰৰ উৎসৱ ভেবেলি লতা ফুলাৰ বতৰ পালেহি গাত বিহুৰো দেওধনি উঠে, উজুটিত যতৰ ভাঙি গাভৰু গৈ ফুল - পানী ছিগা পায় গৈ তাহানি গোটেই চত মাহটোতেই ডেকা গাভৰুয়ে ৰাতি বিহু পাতিছিল। গীত আৰু বাদ্যৰ সূছনাত প্ৰকৃতিও চঞ্চল হৈ উঠিছিল কৃষি জীৱী সমাজৰ মানুহে বসন্ত কালৰ সময় ছোৰাত ঢোল, পেপা, টকণা, গগনা লৈ হিয়াৰতলি উজাৰি বিহু তলিত আনন্দ প্ৰকাশ কৰিছল।

বিহু বুলিলে গা সাতখন আঠখন নকৰা অসমীয়া নাই বুলিলেও হয়। কিন্তু তাহানি চ'তৰ বিহু আৰু বহাগৰ বিহু বুলিলে দুটা সুকীয়া বিহুক বুজাইছিল । গোটেই চ'তৰ মাহটো ডেকা গাভৰুৱে বিহু পাতিছিল। এই বিহুত যৌন শক্তিপূৰ্ণ গীত গাই ডেকা-গাভৰুৱে মনৰ ভাৱ বিনিময়ত কৰাটো একো আচৰিত নাছিল। কিন্তু সাধাৰণতে ডেকাই ডেকাৰ ভাগে, গাভৰুৱে গাভৰু ভাগে সুকীয়াকৈ বিহু পাতিছিল, ডেকাৰ বিহুৰ সমল আছিল ঢোল, পেঁপা, গগনা আৰু তাল গাভৰুৰ বাদ্য আছিল টকা আৰু গগনা। এই বিহু এমাহ জুৰি চলিছিল গাভৰুৰ ৰাতি বিহু দুকুৰি ডেৰকুৰি বছৰমান আগলৈকে শিৱসাগৰ মহকুমাৰ কিছুমান ভিতৰুৱা অঞ্চলত চলি আছিল ডেকাৰ ৰাতি বিহু অঞ্চল বিশেষত এতিয়াও চলি আছে। এনেকুৱা ৰাতি বিহুত গোৱা নামবোৰত কোনো আঁৰবেৰ নাছিল। চৰম আনন্দ প্ৰকাশেই আছিল মুখ্য উদ্দেশ্য আমি কৃষিজীৱী সমাজৰ লোক বিশ্বাস আজি বৈজ্ঞানিক সত্যত পৰিণত হৈছে সংগীতৰ প্ৰভাৱত ধান-খেতিৰ উৎপাদন বৃদ্ধি পায়। এইটো কুৰি শতিকাৰ পৰিক্ষালবদ্ধ বৈজ্ঞানিক সত্য। আদিম কৃষি জীৱী সমাজে এই তথ্য প্ৰকৃতিৰ পৰা পাইছিল আৰু আহুধানৰ উৎপাদন বঢ়াইছিল বসন্ত পৰশ লাগি উন্মনা হোৱা প্ৰকৃতিক পৰিবেশৰ লগত সুৰ মিলাই হিয়া উজাৰি আনন্দ প্ৰকাশ কৰিছিল। ডেকা গাভৰুৰ নাচোনৰ গিৰিপনিত প্ৰথিৱী কাম্য সম্ভৱা সোণ জ্বিলিকাদি জ্বিলিকি উঠিছিল আদিম খেতিয়কৰ এটা ধাৰণা আছিল যেনি প্ৰবৃত্তি মূলক গীত গালে পৃথিৱীৰ গাতে যেনি উত্তেজনাই দেখা দিব আৰু শস্য সম্ভৱা হৈ উঠিব, সেয়েহে ৰাতি বিহু গীতবোৰ স্বাভাৱিকতে যৌনোদ্দীপক 'কৈনো কৈ থাকিলে ওৰকে নপৰে বহাগৰ বিহুৰে কথা' এই বহাগৰ বিহু হল চতৰ সংক্ৰন্তিৰ দিনৰ পৰা বহাগৰ ছদিনলৈকে, ইয়াক সাত বিহুও বোলে। বিহুৰ আগদিনাক উৰুকা বুলি কয় তাৰ পিছদিনা চেনেহী বিহু এনেকৈ সাত বিহু সাতোটা নাম আছে বহাগৰ বিহুৰ জা-জলপান খোৱা, মান সৎকাৰ কৰা, বিহুৱান দিয়া আদি নীতি-নিয়ম আৰু সংস্কাৰৰ উপৰি আটাইতকৈ আকৰ্ষণী আৰু উল্লেখযোগ্য অনুষ্ঠান হল হুঁচৰি গোৱা। ব্ৰহ্মদেশত আজি কালিও বহাগৰ বিহুৰ সময়ৰ হুঁচৰি গাওঁতে ৰাজ আলিয়েদি গৈ থাকে ঘৰৰ গহস্থই সপৰিয়াল ওলাই গৈ মাননি শৰাই দি আৰ্শীৰ্বাদ লয় আমাৰ দেশতো একালত তেনেকৈয়ে হুঁচৰি গাইছিল যেন অনুমান হয়। কিন্তু মাখন্ত বা মধ্য যুগৰ ৰজা, ডা-ডাঙৰীয়া আদিক তোষামেদ কৰিবৰ বাবে তেওঁবিলাকৰ চোতালত হুঁচৰি গাই আশীৰ্বাদ দিয়াৰ পিছৰ পৰাই সকলোৰে চোতালত হুঁচৰি গোৱাৰ পৰম্পৰা এটি সৃষ্টি হয় আৰু তেতিয়াৰ পৰাই মানুহে দেউতাৰ পদূলিত মধূৰি গোন্ধোৱাৰ বাতৰি পাম, তেতিয়াৰ পৰাই স্বৰ্গদেউ বাট চ'ৰাৰ মুখলি ওলোৱাৰ হিচাপ ৰাখে।

ৰাইজৰ চোতালত থিয় হৈ হুঁচৰি গোৱা বিহু নামত অশ্লীলতা বা যৌন গন্ধ থাকিব নোৱাৰে আচল বিহুনামবোৰ বিহুৰ প্ৰতি মৰম আৰু হেঁপাহ আনন্দ প্ৰকাশৰ উদ্গীৰতা আৰু গৃহস্থক কৰ্ত্যৰ সকীয়নি দিয়াৰ ভাবহে প্ৰকাশিত হয়। কোনো এঘৰ মানুহৰ চোতালত থিয় হৈয়েই হুঁচৰি দলে হৈ ধ্বনি উৎসৱ কৰিয়ে বা গৃহস্থৰ কুশৰ অৰ্থে বুলি এযাৰি আৰ্শীবাদ বৰিষণ কৰি ঢোলত চাপৰ মাৰে। তাৰ পিছতে হুঁচৰিৰ ঘোষা লগাই হুঁচৰি আৰম্ভ কৰে হুঁচৰি গীতৰ পদ হিচাপে হুঁচৰি গীতৰ বাহিৰেও পগলা পাৰ্বতীৰ গীত, ফুল কোঁৱৰৰ গীত, মণিকোঁৱৰৰ গীত আদি মালিতা ব্যৱহাৰ হোৱা দেখা যায়। হুঁচৰি গাওঁতে কোনো কোনো ঠাইত ঘূৰণীয়াকৈ মেৰ পাতি, কঁকালত ধৰাধৰিকৈ গায় তাক লহৰী খেলা বোলে।

হুঁচৰি নিজে আহিলে কথাই নাই, গৃহস্থই মাতি আনিও হুঁচৰি গোৱায় হুচৰিৰ অন্তত এতি তামোল পাণ, দুতিমান পইচা, এখনি হাচতিৰে হুঁচৰিবোৰক মাননি শৰাই দিয়ে গৃহস্থই শ্ৰদ্ধা ভকতিৰে উজাৰি দিয়া শৰাইখন গ্ৰহণ কৰি হুঁচৰিয়ে 'কুশল কামনাৰ আৰ্শীবাদ দিয়ে তেনেদৰে হুঁচৰি সামৰণি পৰে শৰাইখন বা মাননিটো পাবই সন্দেহ নাই' তথাপি গৃহস্থৰ লগত ধেমালি কৰিবলৈকো ৰূপক চকলা নেপালে নেৰো এখনি হুঁচৰি উলিয়াই নিদিহে সৰাইলৈ নেমেলোঁ হাত এই ঘৰ মানুহক কোনে সৰজিলে মৰম নাইকিয়া কৰি ইত্যাদিৰ জোৰা হয়।

বিহুগীতৰ লগত দীঘলীয়া জাতৰ নাচনী ছেৱৰ গীতো আছে। এই নাম জাতবোৰ ঠাই অনুসৰি দীঘল, চুতি বা লেহতীয়া হয় তদুপৰি ঠাইবিশেষে অন্যান্য গীতৰো সুৰৰ পাৰ্থক্য দেখা যায়। বিশেষকৈ যোৱা কেইবছৰমানৰ ভিতৰত বিহুৰ নামৰ সুৰ আৰু ঢং ইমান সলনি হৈছে যে মূলতে হুঁচৰি কি আছিল তাক ধৰাই টান হৈ পৰিছে। সংস্কৃতি বা লোকসাহিত্য সৰাখুতি নহয়, বোৱতি নৈ, গতিকে নতুন নতুন সমল অহাটো স্বভাৱিক কিন্তু সি যদি মূলকে বিকৃতি কৰিবলৈ চেষ্টা কৰে সি উৎসাহপ্ৰদ নহয় বিহুগীতত বিহুৰ প্ৰতি অসমীয়া মানুহৰ কিমান হেপাহ, কিমান আশা বিহু অসমীয়াৰ কিমান আদৰৰ সেই কথা বঢ়িয়াকৈ ফুটি ওলাইছে। নতুন যুগৰ বিহুৱা সকলে পুৰনি বিহুগীতবোৰলৈ পিঠি নিদি পুনৰ গোটাই পিচাই চৰ্চা কৰাটোহে সময়োচিত হব পুৰনি গীতবোৰত আন্তৰিকতাৰ আছে আৰু আছে যুগৰ প্ৰতিচ্ছবি।

প্ৰকৃতিৰ পৰশত সময়ৰ বুকুত আনন্দময় হৈ উঠা অসমীয়া জাতিটোৰ প্ৰাণৰ উচ্চাসৰ স্বীকৃতি দিয়া বিহুগীত আনন্দ উল্লাসৰ প্ৰকাশ পায় দৈহিক চঞ্চলতা মাজেদি যত মানুহৰ মন, ৰং ধেমালিৰে পৰিপূৰ্ণ হয় গা-নাচি উঠে, ঢোল, টকা চাপৰত এপাক নাচিবলৈ আৰু নচোৱাবলৈ মন যায় নাচনি নহলে বিহু নপকে সেয়ে বিহু নামত নাচনী চিত্ৰমন উজ্বল হৈ উঠিছে।

নৈৰ পাৰে পাৰে নলৰে গজালি
অতে ক'লা গৰু চৰে,
নাচনীৰ মূৰতে গুটি ফুলৰ গামোচা
পখিলা উৰাদি উৰে

(২)

বাৰীৰে চাপৰে কজলা উৰহী
পাতে তিৰেবিৰে কৰে,
নাচনী মুখলৈ চাবকে নোৱাৰি
চকু ছাটে মাৰি ধৰে।

অসমীয়া জন - জীৱনত ম'হৰ শিঙৰ পেপাটো বিহুৰ আনন্দ উল্লাসৰ মধুৰ লগৰীয়া। পেঁপাৰ সুৰে মানুহৰ মনৰ বিহুৰ মাদকতা জগাই তোলে চকুৰে চাই, মুখেৰে কথা পাতিবলৈ সুযোগ নোহোৱা বিহুৱা ডেকায়ে হিয়া উজাৰি প্ৰকাশ কৰে বুকুত বেদনা বোৰ বুকুৰ বাতৰিলি উৰি যায় পেঁপাৰ সুৰবোৰ এজনৰ মনৰ পৰা আন এজনৰ মনলৈ পেঁপাৰ মনে মনে উৰুঙা কৰে বিহু তলিলৈ ঢাপলি মেলিবলৈ মন যায়। সেই উদ্দেশ্য বিহুগীতত গাইছে।

এইবেলি আহুধান পানীয়ে মাৰিলে
অহা বেলি আহু ধান পাম
ম'হৰ শিঙৰ পেঁপাটি বনকিয়াই আনগৈ
তোমাৰ শপত বিহুলৈ যাম।

পেঁপাৰ দৰে ঢোলো হৈছে বিহু এবিধ অন্যতম বাদ্য। যাৰ অবিহনে বিহু নপকে। ঢোলৰ মাত শুনিলে বিহু বলীয়া অসমীয়াই বঢ়া ভাত কাহীতে এৰি বিহুলৈ ঢাপলি মেলে।

বিহু গীতত গাইছে -

ঢোলৰ চাপৰ মাৰি ঢুলীয়া ওলালে
কাৰ ঘৰত নাচনী নাচে,
ওচৰ চাপি চাপি নাহিবি নাচনী
হাতত ঢোলৰ মাৰি আছে।

ঢোলত চাপৰ মাৰি ঢুলিয়া ওলালে
বহি বৈ আছিলো তাঁত
টোপোলাৰ সেন্দুৰ টোপালাত থাকিলে
খাবলৈ নহলে ভাত।

বিহু জাতীয় জীৱনৰ আশা আকাংক্ষা ৰং আনন্দ, আৱেগ - অনুভূতিৰ উৎসৰ। বিহুৰ দিনা প্ৰত্যাসিক জীৱনৰ আনন্দ উল্লাস প্ৰকাশ কৰিলেও সামূহিক জীৱনৰ কিছুমান কৰ্তব্যও আছে। যেনে ঃ- গুৰু ভকতক মান সৎকাৰ কৰা ৰাইজৰ ওচৰ মোৰ দোঁৰা জ্যেষ্ঠ জনৰ পৰা আৰ্শীবাদ লোৱা আদি। বিহুগীতত কৈছে।

চ'তে চকৰী ব'হাগত বগৰী
জেঠৰ আমনা ধান,
গৰুৰ বিহুৰ দিনাখন সৎকাৰ কৰিবা
তেহে পাব বৈকুণ্ঠৰ থান।

বিহুগীতত সময়ৰ বোল লাগে। বুৰঞ্জীৰ আচুৰ পৰে অসমৰ জাতীয় জীৱনৰ আহোম ৰাজত্বৰ প্ৰভাৱ বৰ্ণনাতীক জাতীয় জীৱনৰ কন্ধে কন্ধে বিয়পি পৰে অনেক কথা। অসমীয়া বিহুনামত স্বৰ্গদেউ কথায়েই ঠাই পাইছে।

স্বৰ্গদেউ ওলালে বাট চ'ৰাৰ মুখলৈ
ঢুলীয়াই পাতিলে দোলা,
কাণত জিলিকিলে নৰা-জাংফাই
গাত গোমাটেঙৰ চোলা।

চৰাই চিকুণ তেলীয়া মাৰেং
মাছৰ চিকুণ মালি,
স্বৰ্গদেউ চিকুণ কেঁকোৰা দেলাখন
শুৰাই গজেপুৰৰ আলি।

অকল এই য়ে নহয় বিহুৰ নামত অনেক কাহিনাও নিজৰ চিনাকী দি সময়ৰ পৰশত স্বীকৃতি লাভ কৰিছে। যেনেঃ-

কিনো মাছ তুৰা পখনায়া
কিনো মাছ মাৰিবৰ তুৰা,
ৰংপুৰ নগৰত কাৰেংঘৰ সাজিলে
মাৰিলৰ নেখালে জোৰা।

বঙাল বঙাল কিনো ঐ বঙাল
বঙাল আছিলে চাই,
সাত ৰাজ মাৰি একেৰাজ কৰিলে
ল'লে যোৰহাটত ঠাই।

বিহুৰ আনন্দ উৎসৱ। কিন্তু অৰ্থনৈতিক সমাজিক পৰিস্থিতিয়ে বিহুৰ আনন্দ উপভোগ কৰাত বাধা দিয়ে। আজি সামাজিক পৰিবেশৰ লগত পুৰণি কালৰ সামাজিক মিল নাথাকিলেও দুখিয়াৰ মনৰ বেদনা তেতিয়াও আজিৰ দৰেও আছিল। যেনেঃ-

দুখৰ ভাই ককাই হ'লো ঐ দুখীয়া
সাজি লব নোৱাৰো ঘৰ,
পঠীয়া পটীকে কিনি লব নোৱাৰো
তাতো কৰে ছকুৰি দৰে।

বিহুৰ দিনা হুঁচৰী গোৱা মানুহে গৃহস্থক হিয়া উবুৰিয়াই আৰ্শীবাদ দিয়ে সেই আৰ্শীবাদত অসমীয়া অসমীয়া মানুহৰ আন্তৰিকতা বৈ বৈ গৈছে। যেনেঃ-

এটা বাটিত নহৰু এটা বাটিত পনৰু
এটা বাটিত খতুৰা শাক,
মূৰৰ চুলি ছিঙি আৰ্শীবাদ কৰিছোঁ
চেনাই তই কুশলে থাক।

বিহুনাম অসমীয়া লোক-সাহিত্য এটি এমূল্য সম্পদ। ইয়াৰ বুকুত আছে জাতিৰ প্ৰাণৰ স্পন্দন, জীৱনৰ বুৰঞ্জী আৰু সমাজৰ প্ৰতিছবি। ইয়াৰ ভাষা সৰল, ছন্দ সাৱলীল, সুৰ মনোমোহা।

## ২.১ বিহুগীতত সামাজিক বৈষম্য ঃ

বিহুগীতত ব্যক্তি গত ভাৱে হলেও বা বিক্ষিপ্ত ভাৱে হলেও মূৰ দাঙি উঠিব খোজা বিপ্লৱী মনৰ পৰিচয় তথা অসমীয়া সমাজ খনৰ বিধি ব্যৱহাৰত যি ৰূপে দেখা দিছে সেই খিনিক নিতান্ত উলাই কৰিব লগীয়া নহয়। অঘৈয়া হুলত খোচ খোৱা, অবিচাৰৰ শোল বুকু থকা সৰকাকৈ খোৱা মনবোৰৰ মাজেদি কৰুণ হা-হুতাশৰ লগতে পৰিৱৰ্তনৰ আকাংক্ষায়ো দেখা দিছে।

ফুলচিত লগাই বৰঘৰ সাজি থাকিবলৈ সকলোৱে আশা কৰে। প্ৰাচুযলৈ আশা কৰি জীৱনৰ নাও খন গঢ়া চপাই বান্ধিবলৈ সকলোৱে হাবিয়াস কৰে। লৰাই খাব বুলি হেঁপাহ আকলুৱা মনে কলবাৰী পাতিব খুজে। কিন্তু লাওলৈ বুলি দিয়া হেদালিত বগায় নিবিচৰা পূৰৈ অৱস্থাই হাত মেলি মেলে খাম বুলি ৰোৱা মাগুৰী ধানৰ আশা, কোঁচ ভৰাই ভৰাই পাৰিম বুলি ৰোৱা ৰাঙলী মদাৰৰ পাণ পৰাৰ আশা মনতে জাহ নিয়ায়। ৰণত ঘোঁৰা হেৰুওৱাৰ দৰে চোতাল পোৱাহি সৰগৰ মুকুতা, আশাৰ মানিক তিতাতে দূবৰি বনতে হেৰায়। সেয়েহে বিহুগীতত কৈছে -

"বজাৰত কিনিলো ৰেচমৰ ৰুমাল<br>বেলগাড়ী ভটিয়ীট গল,<br>বিয়া কৰাম বুলি বৰ ঘৰ সাজিলো<br>গৰু বন্ধা গোহালি হ'ল"।

মুঠিৰ কটা তামোলখন খাবলৈও সামাজিক নিষেধ সেয়েহে বিহুগীতত কৈছে -

" তোমাৰ কটা তামোল খাঁও কেনে কৰি<br>তুমি হলা অজাতি ফুল"।

অতীজতে কাম বন ভগাই দিওঁতেই যে জাতিভেদৰ সৃষ্টি হল সেই কথা সমাজে পাহৰি পেলালে। সেয়েহে কটা তামোল খাব নোৱাৰি কাৰণ 'নহলা নিজৰে কুল'
বাধাৰ এই বৰতানি হাবি, বাটৰ এই বগৰী জেং যুক্তিহীন সমাজ-ব্যৱস্থাৰ লগতে দৰিদ্ৰতাও। কাৰণ "তোমাক কেনে কৰি আনিম প্ৰাণেশ্বৰী হাতত নাকিয়া বিত" লেঠা এইটোও কম নহয়। হাড়ক মাটি তেজক পানী কৰি গা খাটি খোৱা শৰীৰে কেই কুৰি কেইশই বা গোটাব পাৰে? দুখ কৰি খোৱা জীৱনটোত পৰিচয়ো বিহুগীতত ফটফটীয়া। সেয়েহে বিহুগীত গাইছে -

হাললৈ লিখিলে মোক ঐ মইনা<br>কোৰলৈ লিখিলে মোক,<br>তিনি আঙুল কপালত বিধাতাই লিখিলে<br>তোলৈ নিলিখিলে মোক।

তাৰোপৰি এইবেলি আহু ধান পানীয়ে মাৰি থৈ যোৱাৰ অশান্তি। মৌজাদাৰৰ ৰঙা চকুৰ দুৰ্ভাবনা খুটিৰ গৰু ম'হ চবকাত পৰাৰ কলৰ ডাপৰ আছেই ইয়াৰ উপৰিও চালে সৰগ দেখা ঘৰটো চোৱাব লাগে নগৰীয়াত পৰি থকা আই-বোপাক প্ৰতি পাল কৰিব লাগে। দিবলগা ভনী জনী ভালে কালে উলিয়াই দিব লাগে জীয়ৰী ছোৱালী ঘৰত ৰাখি থোৱা বেয়া। খোৱাৰ খোজপতি আপৰাধৰ দৰে ছাঁটোতে বাঘটো দেখা পাইছে হলা গদ দেখি বাগি কুঠাৰ মাৰিলে ই অনাতকৈ সি অনাহে চাৰ হব দণ্ড, প্ৰয়শ্চিত বিচাৰে জুলুকি জুলুকি শিকাব। ইয়াৰ বাদেও বিয়া কৰাতো মুখ খনেৰে নোৱাৰি বেৰ দিব লাগিব। মণি দিব লাগিব কাপোৰ কানি যি হয় দিব লাগিব, দহ ৰাইজক হাত মুখ ধুৱাব লাগিব।

সমাজৰ এইবোৰ নিয়মৰ উপৰিও গা-ধন লোৱা প্ৰথা আছেই সেয়েহে বিহু গীতত গাইছে

-

"চৰায়ে খাবৰে ধান সমনীয়া
উফৰি পৰিবৰ কণ,
আইনোকৈ বোপায়ে আচলখন পাতিলে
আমাক বেচি খাবৰ মন।

আৰ্থিক দুৰৱস্থাৰ, সামাজিক উচ-নীচ, ধনী দুখীয়াৰ ভেদা ভেদৰ, সামাজিক বিধি ব্যৱস্থাৰ অঘৈয়া হলে আমাৰ মনৰ আনন্দক শেল মাৰিলে মনৰ নিৰাশত সময় শতৰুৱে প্ৰাণ খুলি হঁহাৰ বাটত অতি চেনেহৰ বহাগত বিহুটি নেপাতি কেনেকৈ থাকোঁ বুলি অন্তৰৰ পৰা কোৱাব বাটত, সৰল আনন্দৰ বাটত হেঙাৰ দিলে বিহু আমাৰ সমাজত এতিয়া এক স্বতস্ফুত লআনন্দ নহয়। ই গতানুগতিক নিয়ম হে হৈ উঠিছে. এনেদৰে থূলমূলকৈ বিহুগীতত সামাজিক বৈষম্য সমূহত বিচাৰ কৰি চাব পাৰো।

# অধ্যায় - ৩

## ৩.০ নৈ পৰীয়া বিহুগীত

নৈ পৰীয়া বিহুগীতলৈ মন কৰিলে আমি দেখিম যে এই বিহু গীত সমূহৰ কোনো বিশেষ সংজ্ঞা বা বৰ্ণনাত্মক বিশ্লেষণ পোৱা নাযায় যদিও এই বিহুগীত সম্পৰ্কে এক চমু গৱেষণা পত্ৰখনত দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে।

বিহু কৃষি ভিত্তিক উৎসৱ যেতিয়া কৃষক সকলে কৃষি কৰ্ম কৰি মনৰ আনন্দতে মুকলি মূৰীয়াকৈ সকলোৱে একগোট হৈ নাচিছিল। জনবিশ্বাসমতে তেতিয়াৰ পৰাই বিহু সৃষ্টি হৈছিল বুলি ধাৰণা কৰা হয়। লগতে হোৱাং হো নদীৰ পাৰত তেতিয়াৰ পৰাই মুখে মুখে বিহু গীত সমূহৰ প্ৰচলন হোৱা বুলি ধাৰণা হয়। বিহু গীত বোৰ মনৰ আনন্দ মনৰ ভাৱ বিলাক প্ৰকাশৰ হেতুকে সৃষ্টি হৈছে নৈ পৰীয়া বিহু বুলি বিভাজন নাই যদিও আমি ধাৰণা কৰি লওঁ যে নৈৰ লগত তুলনা কৰি যি বিলাক গীত গোৱা হয় সেয়াই নদী কেন্দ্ৰীক বিহু গীত।

যেনে ঃ-

নৈ দেখি লাগিলে পানীৰে পিয়াহ ঐ
তোমাক দেখি লাগিলে মায়া
হাতৰ কটা তমোল হাতত মৰহিলে
নহলা নিজৰে গঞা।

অসমৰ বিভিন্ন নদ-নদী সমূহ যেনে ঃ-

ধনশিৰী, ব্ৰহ্মপুত্ৰ, লুইত, দিখৌ ইত্যাদিক লৈ বিহুগীতৰ সৃষ্টি হৈছিল।

যেনে ঃ

ধনশিৰী ভেটিলে জোঙ ঐ জাবৰে
সোৱণশিৰী ভেটিলে কিহে,
ভঙা খোলাকাটি কমাৰে গঢ়িলে
যৌৱন গঢ়ি দিলে যিহে।

*****

ব্ৰহ্মপুত্ৰৰ পাৰৰে বৰ্হমথুৰি এজুপি
আমিনো খৰি লুৰা ঠাই,
ব্ৰহ্মপুত্ৰ দেৱতা উটুৱাই নিনিবা
তামোল দি মাতোঁতা নাই।

*****

লুইতৰে বালি বগী চকেচকী
কাছই কণী পাৰে লেখি,
গাত জুই জ্বলিছে সৰিয়হ ফুটিছে
ধনক পানীঘাটত দেখে।

*****

দিখৌ নৈ এৰিব পাৰোঁ মই লাহৰী
জাঁজী নৈ এৰিব পাৰোঁ,
তোমাক ঐ লাহৰী এৰিব নোৱাৰোঁ
নেখায়ো মৰিব পাৰোঁ।

এনেদৰে আমি নদী কেন্দ্ৰীকলবিহু গীতক আলোচনা কৰিব পাৰো।

## ৩.১ বনঘোষা ঃ

আমি ঠিক এনেদৰে বনঘোষা সমূহৰ আলোচনা দিশটোলৈ চাও আমি দেখিম যে বনঘোষা সমূহ হৈছে উন্মান জীৱনৰ গীত ব্যক্তক অভিব্যক্তি মুক্ত পৰিৱেশ উন্মোক্ত আৱেগ আৰু উৰুঙা পথাৰখনৰ প্ৰতিধ্বনিতেই বনঘোষাৰ জন্ম যৌৱন দুৱাৰ দলিত অযুত আশাই নিযুত বাসনাই ভুমুকি মাৰে। প্ৰাণৰ পথাৰত পলস পৰে, পলসত গজি উঠে সেউজীয়া আশা-আকাংশা আৰু মিলনত দুৰবাৰ বাসনাৰে ডেকা গাবৰুৰ সকলৰ মনলৈ কাষ চাপে। য'ত মনটোৱে মেলি দিয়ে গীতৰ পোহৰ, নৈ, বিল, পৰ্বত-পাহাৰ, ইকৰানি-বিৰিপানিৰ বুকু ৰজনজনাই উঠে। যৌৱন জোৱাৰত উঠি অহাৰ বনৰীয়া ভাষাৰ এই গীতবোৰক মানুহে বনঘোষা বোলে। বনঘোষা বোৰ বনৰীয়া নাম বা গৰখীয়া নাম বুলিয়েই সাদাৰনতে জন সমাজত প্ৰচলিত। বনঘোষা সমজ্ঞাবোৰ যদিও নতুন কিন্তু গীতবোৰ অতীতৰ।

বনঘোষা সমূহ বতৰৰ গীত। ই বতৰৰ লগত এক প্ৰকাৰে জড়িত। মানুহৰ জীৱনৰ কাৰণে জীৱনো বতৰ প্ৰকৃতিৰো বতৰ। পৰিৱেশ আৰু প্ৰকৃতিয়ে যেতিয়া সন্ধান দিয়ে এখন নতুন পৃথিৱীৰ যেতিয়া মানুহৰ মিলনত অপৰিহাৰ্য হৈ উঠে তেতিয়া প্ৰেমৰ পাতনি মেলে।

যেনেঃ-

প্ৰথমে ঈশ্বৰে সৃষ্টি স্ৰজিলে
তাৰ পাছত স্ৰজিলে জীৱ,
সেইনোজন ঈশ্বৰে প্ৰীতি কৰিলে
আমিনো নকৰিম কিয়।

যৌৱন আৰু বিহুৰ সমন্বয়ে ডেকা-গাভৰুৰ জীৱনত পূৰ্বৰাগ, অনুৰাগ, প্ৰেম প্ৰতি, প্ৰনব আৰু মিলনৰ মাধুৰিমা বাকি দিছিল। কোনোবাই প্ৰনয়ৰ পূৰ্নতাৰে দাম্পত্য জীৱনত পাতনি তৰিছিল। কিন্তু কোনোবাই পাইছিল বিচ্ছেদ বিৰহৰ দোকোল টকা বান, আমঠু কল পৰি যোৱা শোক আৰু বুকুত সৰিয়ত ফুট একুৰা জুই, তেতিয়াও মনত অধাই সাগৰত গুজৰি গুমৰি থকা ভাববোৰ অবাৰিত গতিৰে ওলাই আহে।

ধনশিৰী দলংখন ভেটিলে ঐ চেনেহী
লোহাৰ ঐ শলখা মাৰি,
তোমাক ঐ তোমাকে ভেটিলে ঐ সমাজে
দুটি দেহা দুফাল কৰি।

দোকাল টকা বানত মনৰ সেউজীয়া আশা-আকাংক্ষাবোৰ উটি যাব খোজে, তথাপি মনে নামানে, মন অবুজন, বনে ওদালৰ ডোল ছিঙি লৰ মাৰিব খোজে পুৰি পীৰিতিৰ স্মৃতিত নতুন সজীৱতাই মাতোন দিয়ে সেয়েহে আকৌ এবাৰ গায়।

বৰঘৰৰ মূধতে ভঁৰালৰ টুপাত
চৰাই ফুটুকলা খায়,
মোৰ জানো মাতে পৰে ঘনে ঘনে
তাৰো জানো মনতে নাই।

টনৰ কাষত নদালি ভুলুকা নৈৰ বুকুত হালি পৰে। সেইদৰে কাৰোবাৰ হিয়া এখন হাওলি পৰিছিল কিবা আকৰ্ষণত যিয়ে সৃষ্টি কৰিছিল একুৰা চিন্তাৰ জুই জুয়ে দহি নিছিল এখন বুকু, এটা দেহা সেয়ে চেনেহৰ ধাৰ খাব নোখোজা ডেকাই চিঞৰি উঠিছে এইদৰে -

নৈলৈ হালিলে নদালি ভুলুকা
পথাৰলৈ হালিলে কাক,
বুকুৰ হাড় ওলাল ডালি ডালি কৰি
কালৈ চিন্তা কৰি থাক।

বনঘোষাৰ জোৰনি অংশত থকা নৈৰ চিত্ৰ আৰু মূল উদ্দেশৰে মধুৰ সমন্বয় দেখিবলৈ পোৱা যায়।

যেনেঃ-

ধনশিৰী দলংখন ভেটিলে ঐ চেনেহী
লোহাৰে ঐ শলখা মাৰি
তোমাক ঐ আমাৰে ভেটিলে ঐ সমাজে
দুটি দেহা দুফাল কৰি।

অসমীয়া সাহিত্যৰ বনঘোষা যাৰ্থাৰ্থতে ভাৰতীয় সাহিত্যৰ ভিতৰত একক অতুলনীয়। কিন্তু যুগ যুগান্তৰৰ দীঘলীয়া বাটেদি বগৰি আহোতে বনঘোষা বোৰৰ কোনোবাটো বাটত হেৰাইছে। কোনোবাটো পাহৰী পলাশত পোত গৈছে যদি কোনোটো আকৌ সময়ত ঘহনী খায় উজ্বল হৈ উঠছে। বৰ্তমান সময়ত জাতি বিহু, চেনাই বিহু, জেং বিহু, ইত্যাদি নাইকিয়া হৈ গৈছে। বিহু তলিত দূবৰী চিন নাইকীয়া হ'ল। হাবি গজি, হাবি তল হ'ল মুঠৰ ওপৰত অসমত সামাজিক জীৱনৰ ইমানেই কৰটকীয়া পৰিৱৰ্তন হ'ল মানুহৰ মনৰলৈকো পৰিৱৰ্তন আহিব ধৰিলে ক্ৰমান্বয়েই মানুহে বিভিন্ন নীতি নিয়মকে ধৰি আধুনিকতা দিশতো আঁকোৱালি লৈ বিহু গীত তথা বিহু মঞ্চত উপস্থাপন কৰিবলৈ ধৰিলে। এনেবোৰ কাৰণতে প্ৰকৃত বিহু আৰু বনঘোষাৰ যি আনন্দ, উল্লাস, ৰং ধেমালি আছিল সেইয়ায়ো ক্ৰমান্বয়ে মানুহৰ উপভোগৰ পৰা হেৰাই যাব ধৰিছে। কিন্তু এইটো সত্য যে বনঘোষা আৰু বিহুগীত সমূহ এতিয়াও অসমীয়া সাহিত্যৰ এটা মৌলিক সৃষ্টি আৰু বহুমূলীয়া সম্পদ হৈ আছে।

# অধ্যায় - ৪

## ৪.০ সিদ্ধান্ত -

✯অসমীয়া বিহু গীতসমূহক চমু আলোচনা

✯বিহুগীত নৈ পৰীয়া বিহু গীতৰ বনঘোষাৰ এক চমু অৱলম্বন।

✯কম পৰিমানে কেউটা বিহুগীতৰ আৰু বনঘোষৰ উদাহৰণ।

✯শেষদ্ধত বনঘোষা এক চমু পৰিচয়।

গতিকে গৱেষণা পত্ৰখনত অসমীয়া বিহুগীত নৈ পৰীয়া বিহুগীত আৰু বনঘোষা সৰ্ম্পকে আলোচনা কৰি উল্লেখিত সিদ্ধান্ত কেইটাত উপনীত হ'লো।

## সামৰনি ঃ

অসমীয়া বিহু আৰু বনঘোষাক সমাৰ্থক শব্দ হিচাপে ব্যৱহাৰ হৈ আহিছে প্ৰাকশং কৰি যুগৰ পৰাই বিহুগীতক বিহু নাম আৰু বনঘোষাক বনগীত ৰূপে প্ৰচলিত হৈ আহিছে। বিহুত ডেকা-গাভৰু সকলে গোৱা বিহু নামক বনগীত বুলিও কোৱা হয়। যেনে ঃ-

ভলুকা বাঁহতে গজে প্ৰানশ্বৰী
ভলুকা বাঁহৰে গাজ
ৰিহা পাৰি পাতি কত কথা কলি
এতিয়া কিহৰনো লাজ।

বিহুগীত আৰু বনঘোষা সমূহ সদায়েই লোক সাহিত্যৰ লগত জড়িত আৰু লোক সাহিত্য সমূহ লোক জীৱনৰ লগত জৰিত প্ৰতিজন মানুহৰ মনত কিছুমান আশা-আকাংক্ষা সুখ-দুখ, অভাৱ-অভিযোগ, আনন্দ উল্লাস সাঁচ খায় থাকে। আৰু মানুহে এই মনৰ ভাৱ সমূহক গীতৰ মাধ্যমেৰেও কেতিয়াবা প্ৰকাশ কৰে। অতীতৰে পৰা মানুহৰ সুখে দুখে প্ৰচলিত হৈ আহি বৰ্তমান অসমীয়া ল্লোক সাহিত্যত এক সুকীয়া স্থান লাভ কৰাই বিহুগীত আৰু বনঘোষা সমূহে সাহিত্যৰ ভঁৰালৈ চহকী কৰি ৰাখিছে।

# প্ৰসঙ্গ টোকা

ক) অসমীয়া লোক সাহিত্য ৰূপৰেখা ঃ  লীলা গগৈ বিহু নাম পৃ ঃ (১৪১-১৫১)
খ) বনঘোষ ঃ  লীলা গগৈ বনঘোষ পৃ ঃ (১৫২-১৬২)
গ) অসমৰ লোক সংস্কৃতি ঃ নিৰ্মল প্ৰভা বৰদলৈ বিহু গীতৰ জনতা
ঃ বিহু মাৰি থাকিবৰ মন ঐ লগৰী পৃ ঃ (১৪৩-১৪৮)
(ঘ) অসমীয়া ভাষা আৰু সংস্কৃতি ঃ ড° বিৰিঞ্চি কুমাৰ বৰুৱা বিহু গীতত অসমীয়া জীৱনৰ চিত্ৰ পৃ ঃ  (৬০-৭৫)

# গ্ৰন্থ-পঞ্জী ঃ


*গগৈ, লীলা ঃ  বিহুগীত আৰু বনঘোষা  -  ২০০৮, বনলতা, গুৱাহাটী।*
*গগৈ, লীলা ঃ অসমীয়া লোক সাহিত্য ৰূপৰেখা  - ২০০১, বনলতা, গুৱাহাটী।*
*বৰুৱা, বিৰিঞ্চি বৰদলৈ ঃ অসমীয়া ভাষা আৰু সংস্কৃতি  - ১৯৫৭, গুৱাহাটী।*
*বৰদলৈ নিৰ্মল প্ৰভা ঃ  অসমৰ লোক সংস্কৃতি - ১৯৭২, বীণা লাইবেৰী।*


**তথ্য দাতাৰ বিৱৰণ ঃ**
(১) নাম ঃ শ্ৰী ৰেৰকান্ত দাস
গাওঁ ঃ বালিপৰীয়া বগাৰ গাওঁ, ডক ঃ বালিপৰীয়া, জিলা ঃ যোৰহাট, অসম
জীৱিকা ঃ খেতিয়ক, বয়স ঃ ৫৭
(২) নাম ঃ শ্ৰী পল্টন দাস
গাওঁ ঃ বালিপৰীয়া বগাৰ গাওঁ, ডক ঃ বালিপৰীয়া, জিলা ঃ যোৰহাট, অসম
জীৱকা ঃ খেতিয়ক, বয়স ঃ ৫১
(৩) নাম ঃ শ্ৰী দিলীপ হাজৰিকা
গাওঁ ঃ ৰং দৈ খাট, ডাক ঃ তিতাবৰ, জিলা ঃ যোৰহাট, অসম
জীৱকা ঃ খেতিয়ক, বয়স ঃ৩৯